লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ৩; সংখ্যা: ৪; জানুৱাৰী-জুন, ২০২২

# বিষয়: নাটক আৰু চিনেমা

✍ জয়জিৎ ডেকা

এই যে সুহুৰিটো দুপৰীয়া এটাৰ সৈতে
নাটক
গুণগুণনিবোৰ
চিনেমা
জ্বলি থকা চাকিটো
নাটক
নুমাই যোৱাৰ পাছৰ ধোঁৱাখিনি
চিনেমা
কঁপি থকা ওঁঠ এযুঁৰি
নাটক
চলচলীয়া এহালি চকুৰ পতা
চিনেমা
বুকুৰ ধপধপনিবোৰ
নাটক

উশাহটো
চিনেমা
ধুনীয়া মৰমলগা এখনি মুখ
নাটক
গালত থকা সৰু তিলটো
চিনেমা
যদি সংলাপ
নাটক হয়
তেন্তে ইংগিত
চিনেমা

ঘাঁহনি এডৰা নাটক হ'লে
তাত জিলিকি থকা নিয়ৰকণাবোৰ চিনেমা
পুখুৰীটো নাটক হ'লে
তাত ৰূপালী ঢৌৰে খেলি থকা মাছবোৰ চিনেমা
একাপ চাহ যদি নাটক
কাপ আৰু প্লেটৰ ঘঁহনিবোৰ চিনেমা
বাৰাণ্ডাত বহি পেপাৰ পঢ়ি থকা দেউতা যদি
নাটক
নাৰিকল পাতৰ ফাঁকেৰে বৈ অহা কাঁচিয়লি
ৰ'দজাক চিনেমা
পিঠা-পনা লৈ পথাৰলৈ জলপান দিবলৈ যোৱাটো
যদি নাটক
ৰ'দ ঢকা আইৰ আঁচলখনি চিনেমা

নাটক আৰু চিনেমা
এই ধৰক মঞ্চখন নাটক
আঁৰ কাপোৰখন চিনেমা
মেক-আপখিনি নাটক
মেক-আপ শিল্পীগৰাকীৰ প্ৰেমখিনি চিনেমা

ধৰা হওক জীৱনটোৱেই নাটক
মৃত্যুৰ আগৰ আৰু পাছৰখিনি চিনেমা ।